**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 07-05-2026
**Time :** 18-00 Hrs

**ASSAMESE EVEN BULLETIN**

**:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

১। ১২ মে'ত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰৰ তৃতীয়টো কাৰ্যকালৰ বাবে শপত গ্ৰহণ। মুখ্য অতিথি হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অংশগ্ৰহণ।

২। বিধানসভা নিৰ্বাচন সম্পন্ন হোৱা ৰাজ্যসমূহৰ পৰা নিৰ্বাচনী আচৰণ বিধি প্ৰত্যাহাৰ।

৩। কাইলৈৰ পৰা লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ ম'হঘূলি চাপৰিত ৩ দিনীয়াকৈ ফাটবিহু উদ্‌যাপন। **আৰু**

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ আৰু ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰু মুখামুখি।

০০০০

অসমত বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে অহা ১২ মে'ত তৃতীয়টো কাৰ্যকালৰ বাবে শপত গ্ৰহণ কৰিব। ইতিমধ্যে শপত গ্ৰহণ প্ৰক্ৰিয়া সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াকে ধৰি বিজেপি দলৰ জ্যেষ্ঠ নেতাৰ উপস্থিতিত বশিষ্ঠৰ অটল বিহাৰী বাজপেয়ী ভৱনত আজি এখন প্ৰস্তুতি বৈঠক অনুষ্ঠিত হয়। বৈঠকৰ পাছতে সংবাদমেলত ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই ১২ মে'ত খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত নতুন চৰকাৰে শপত গ্ৰহণ কৰিব বুলি সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব বুলি তেওঁ উল্লেখ কৰে। শপত গ্ৰহণ অনুষ্ঠানৰ দিনা পুৱা ১০ বাজি ১০ মিনিটত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৰঝাৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হ'ব। বিমান বন্দৰৰ পৰা হেলিকপ্তাৰেৰে নাৰেঙ্গীৰ হেলিপেডত অৱতৰণ কৰি দিনৰ এঘাৰ বজাত শপত গ্ৰহণ অনুষ্ঠানত প্ৰধানমন্ত্ৰীগৰাকীয়ে অংশগ্ৰহণ কৰিব। শপত গ্ৰহণ অনুষ্ঠানত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ, বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি নীতিন নবিনকে ধৰি এন ডি এ শাসিত ৰাজ্যৰ মুখমন্ত্ৰী, উপ মুখ্যমন্ত্ৰীসকলো উপস্থিত থাকিব। বিজেপি দলৰ বহু কেন্দ্ৰীয় নেতাও এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিব বুলি শ্ৰীশইকীয়াই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। অহা ১০ মে'ত বিজেপি বিধায়িনী দলৰ বৈঠক অনুষ্ঠিত হ'ব। এই বৈঠকত কেন্দ্ৰীয় পৰ্যবেক্ষক হিচাপে প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি তথা কেন্দ্ৰীয় মন্ত্ৰী জগত প্ৰকাশ নাড্ডা আৰু হাৰিয়ানাৰ মুখ্যমন্ত্ৰী নয়াব সিং চাইনী উপস্থিত থাকি বিধায়িনী দলৰ নেতা নিৰ্বাচন কৰিব।

**বাইট-দিলীপ শইকীয়া**

০০০০

নিৰ্বাচন আয়োগে বিধানসভা নিৰ্বাচন সম্পন্ন হোৱা ৰাজ্যকেইখনৰ পৰা নিৰ্বাচনী আচৰণ বিধি প্ৰত্যাহাৰ কৰিছে। আয়োগে আজি এটা নিৰ্দেশ যোগে অসম, কেৰলম, তামিলনাডু, পশ্চিমবংগ আৰু পুডুচেৰীৰ নিৰ্বাচনৰ ফলাফল ঘোষণা কৰাৰ পাছত ততালিকে কাৰ্যকৰী হোৱাকৈ নিৰ্বাচনী আচৰণ বিধি প্ৰত্যাহাৰ কৰা বুলি ঘোষণা কৰে।

০০০০

উত্তৰ-পূব খণ্ডৰ আয়কৰ বিভাগৰ উদ্যোগত আজি দিছপুৰৰ কৰ ভৱনৰ প্ৰেক্ষাগৃহত **প্ৰাৰম্ভ ২০২৬** শীৰ্ষক বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। আয়কৰ আইন ২০২৫ আৰু আয়কৰ অধিনিয়ম ২০২৬ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যে আয়কৰ বিভাগৰ ৰাষ্ট্ৰজোৰা সজাগতা অভিযানৰ অংশহিচাপে এই কাৰ্যসূচীৰ আয়োজন কৰা হয়। বন্তি প্ৰজ্বলনেৰে আৰম্ভ হোৱা এই অনুষ্ঠানত উত্তৰ-পূব খণ্ডৰ আয়কৰ বিভাগৰ মুখ্য আয়ুক্ত এন লংৱাই প্ৰাৰম্ভ  কাৰ্যসূচীৰ বিষয়ে সবিশেষ ব্যক্ত কৰে। তেওঁ কয়, যে কৰদাতাসকলক নতুন আয়কৰ আইন ২০২৫ৰ বিষয়ে সজাগ কৰাৰ উদ্দেশ্যে বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে যোৱা ২০ মাৰ্চত **প্ৰাৰম্ভ** কাৰ্যসূচীৰ শুভাৰম্ভ কৰিছিল। চলিত বৰ্ষৰ পহিলা এপ্ৰিলত কাৰ্যকৰী হোৱা নতুন আয়কৰ আইনে পূৰ্বৰ কৰ পৰিকাঠামো সৰল কৰি তুলিব বুলি শ্ৰীমতী লংৱাইয়ে প্ৰকাশ কৰে। তেওঁ লগতে অহা ১৪ মে’ত শ্বিলং, ইম্ফল, আইজল, ডিমাপুৰ আৰু আগৰতলাত এই **প্ৰাৰম্ভ** শীৰ্ষক বিশেষ কাৰ্যসূচী আয়োজন কৰাৰ সম্ভাৱনা আছে বুলি জানিবলৈ দিয়ে।

অনুষ্ঠানত অংশ লৈ আয়কৰ বিভাগৰ অৱসৰপ্ৰাপ্ত মুখ্য আয়ুক্ত অশোক কুমাৰ ঝাই আয়কৰ আইন ১৯৬১ৰ সৰলীকৰণৰ সন্দৰ্ভত সবিশেষ ব্যাখ্যা কৰে। শ্ৰীঝাই আয়কৰ আইন ১৯৬১ৰ বিপৰীতে হোৱা বৃহৎ সংস্কাৰৰ বিষয়ে উল্লেখ কৰি সংশোধিত পদ্ধতি তথা প্ৰ-পত্ৰসমূহৰ বিষয়ে বিস্তৃতভাৱে অৱগত কৰে। বিষয়াগৰাকীয়ে নতুন আয়কৰ আইন ২০২৫এ জনসাধাৰণক উপকৃত কৰিব বুলি আশা প্ৰকাশ কৰে।

অনুষ্ঠানত আন এগৰাকী ৰাজহ বিষয়া চি. দীপক সিঙে আয়কৰ অধিনিয়ম আৰু প্ৰ-পত্ৰ ২০২৬ সন্দৰ্ভত বিস্তাৰিতভাৱে ভাষণ দিয়ে। তেওঁ লগতে কৰ সেঁতু, কৃত্ৰিম বুদ্ধিমত্তা চেটবোট কৰ সাথি আদিৰ দৰে পদক্ষেপৰ উপৰি নতুন আইনখনৰ সৰলীকৰণৰ বিভিন্ন বিষয়ত আলোকপাত কৰে।

আজিৰ অনুষ্ঠানত বিত্তীয় প্ৰতিষ্ঠান, ব্যৱসায়ী, ছাত্ৰ-ছাত্ৰীকে ধৰি বিভিন্ন অংশীদাৰসকলে অংশগ্ৰহণ কৰে।

০০০০

সমগ্ৰ দেশত আজি অপাৰেচন সিন্দূৰৰ প্ৰথম বৰ্ষপূৰ্তি পালন কৰা হৈছে। ভাৰতে যোৱা বছৰ আজিৰ এই দিনটোতে অপাৰেচন সিন্দূৰৰ অধীনত পাকিস্তান তথা পাকিস্তান অধিকৃত কাশ্মীৰৰ ৯টা সন্ত্ৰাসবাদী ঘাটিত আক্ৰমণ চলাইছিল। যোৱা বছৰ ২২ এপ্ৰিলত পাকিস্তানৰ পৃষ্ঠপোষকতাত সন্ত্ৰাসবাদীয়ে পেহেলগামত পৰ্যটকৰ ওপৰত চলোৱা বৰ্বৰ আক্ৰমণৰ প্ৰত্যুত্তৰত ভাৰতৰ এই অভিযানত কমেও ১০০ জন সন্ত্ৰাসবাদী নিহত হৈছিল।

অপাৰেচন সিন্দূৰৰ প্ৰথম বৰ্ষপূৰ্তি উপলক্ষে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দেশ সন্ত্ৰাসবাদক পৰাভূত কৰাৰ সংকল্পত অটল হৈ আছে। তেওঁ কয়, যে সশস্ত্ৰ বাহিনীসমূহে অপাৰেচন সিন্দূৰৰ সময়ত অভূতপূৰ্ব সাহস আৰু দৃঢ়তা প্ৰদৰ্শন কৰে। বাহিনীসমূহে পেহেলগামত নিৰীহ

ভাৰতীয়ৰ ওপৰত আক্ৰমণ চলোৱাসকলক যোগ্য প্ৰত্যুত্তৰ দিয়া বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয়, যে সমগ্ৰ ৰাষ্ট্ৰই সশস্ত্ৰ বাহিনীসমূহক তেওঁলোকৰ বীৰত্বৰ বাবে প্ৰণিপাত জনাইছে। প্ৰধানমন্ত্ৰীয়ে সংস্কৃতৰ হিতোপদেশ উদ্ধৃতিৰে কয়, যে অপাৰেচন সিন্দূৰৰ সময়ত ভাৰতে অৰ্জন কৰা অভূতপূৰ্ব সাফল্য বীৰ সৈনিকসকলৰ অসীম সাহস আৰু দেশপ্ৰেমৰ নিদৰ্শনস্বৰূপ। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অপাৰেচন সিন্দূৰৰ বৰ্ষপূৰ্তি উপলক্ষে সশস্ত্ৰ বাহিনীসমূহৰ সাহস আৰু ত্যাগৰ প্ৰশংসা কৰে। এটা বাৰ্তাত প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে সশস্ত্ৰ বাহিনীসমূহৰ সাহস আৰু নিষ্ঠাই দেশক সুৰক্ষিত কৰি ৰাখিছে। অপাৰেচন সিন্দূৰৰ সময়ত তেওঁলোকে গ্ৰহণ কৰা ব্যৱস্থাই সঠিক ৰণনীতি আৰু সেনা বাহিনীৰ তিনিওটা শাখাৰ মাজত উন্নত সমন্বয়ক প্ৰতিফলিত কৰে। এই সমন্বয়ে আধুনিক সামৰিক অভিযানৰ বাবে নতুন নিদৰ্শন দাঙি ধৰিছে বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

লখিমপুৰ জিলাৰ ঢকুৱাখনাৰ ম'হঘুলি চাপৰিৰ মনোমোহা প্ৰাকৃতিক পৰিৱেশত কাইলৈৰ পৰা তিনিদিনীয়াকৈ ঐতিহ্যমণ্ডিত ফাট বিহু পালন কৰা হ'ব। চাৰিকড়ীয়া নদীৰ পাৰত উদযাপন কৰি অহা এই ঐতিহ্যময় বিহুত কাইলৈ পুৱা পতাকা উত্তোলনেৰে বিহুৰ কাৰ্যসূচী অনুষ্ঠিত হ'ব। অনুষ্ঠানত শিল্পী ভূপেন হাজৰিকা আৰু শিল্পী জুবিন গাৰ্গৰ প্ৰতিমূৰ্তি উন্মোচনেৰে শ্ৰদ্ধা নিবেদন কৰা হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে সকলো জাতি-জনগোষ্ঠীৰ বাবে মুকলি হুঁচৰি প্ৰতিযোগিতাত কুৰিটাৰো অধিক দলে অংশগ্ৰহণ কৰিব। দিনৰ ভাগত বিহু দলসমূহক মূল তোৰণৰ পৰা ম'হঘুলি চাপৰিলৈ আদৰি নিয়া হ'ব। ইয়াৰ পাছতে টকা বিহু প্ৰতিযোগিতা আৰু চেমনীয়া হুঁচৰি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা কপৌ ফুল আৰু গছপুলি ৰোপণ, গামোচা প্ৰতিযোগিতা, হুঁচৰি প্ৰতিযোগিতা আৰু ফাট বিহুৰ বছৰেকীয়া মুখপত্ৰ **বিহুৱান** উন্মোচন কৰা হ'ব। অন্তিম দিনা অৰ্থাৎ ১০ মে'ত বৰ্ণাঢ্য সাংস্কৃতিক শোভাযাত্ৰা, গছতলৰ মুকলি বিহু প্ৰতিযোগিতা আৰু মুকলি সভা অনুষ্ঠিত হ'ব বুলি আমাৰ লখিমপুৰৰ সংবাদদাতা হিমাদ্ৰী দিহিঙ্গীয়াই জনাইছে—

**ভইচকাষ্ট (হিমাদ্ৰী দিহিঙ্গীয়া)**

এই অনুষ্ঠানত ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, সাংসদ-বিধায়ক আৰু সাংস্কৃতিক ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰাৰ কথা।

০০০০

বৰাকৰ উদীয়মান ভাস্কৰ্য শিল্পী ড০ বিনয় পাল ২০২৫-২৬ বৰ্ষৰ সন্মানীয় টেগৰ ৰাষ্ট্ৰীয় জলপানিৰ বাবে মনোনীত হৈছে। মূলতঃ উত্তৰ-পূৰ্বাঞ্চলৰ শিল্পকলা সন্দৰ্ভত কৰা গৱেষণাৰ বাবে ড০ পালক এই জলপানি দিয়া হ'ব। ড০ বিনয় পাল, বৰাক আৰু উত্তৰ-পূৰ্বাঞ্চলৰ এগৰাকী পৰিচিত ভাস্কৰ্য শিল্পী। দেশৰ বিভিন্ন প্ৰান্তত তেওঁ নিজৰ শিল্প ভাস্কৰ্য কৰ্মৰ একক প্ৰদৰ্শনী অনুষ্ঠিত কৰি আহিছে।

০০০০

ঐতিহ্যমণ্ডিত বৰপেটাৰ সুন্দৰীদিয়া সত্ৰই প্ৰতি দুবছৰৰ অন্তত প্ৰদান কৰি অহা মাধৱদেৱ বঁটা ঘোষণা কৰা হৈছে। ২০২৫-২৬ বৰ্ষৰ মাধৱদেৱ বঁটা তিতাবৰ মহিমাবাৰী সত্ৰৰ বুঢ়াভকত সোণাৰাম শৰ্মাক আগবঢ়োৱা হৈছে। আজি সুন্দৰীদিয়া সত্ৰৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলত সত্ৰখনৰ সত্ৰাধিকাৰ কমল অধিকাৰীয়ে এই ঘোষণা কৰে। ইয়াৰ লগতে সত্ৰাধিকাৰগৰাকীয়ে এইবাৰৰ পৰা সুন্দৰীদিয়া সত্ৰই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ

ভাৰ্যা কালিন্দী আইৰ নামত **আই গোসানী বঁটা** নামেৰে আন এক বঁটা প্ৰদানৰ সিদ্ধান্ত গ্ৰহণৰ কথা উল্লেখ কৰে। এই বঁটাটিও প্ৰতি দুই বছৰৰ মুৰে মুৰে প্ৰদান কৰা হ'ব। সত্ৰাধিকাৰগৰাকীয়ে সদৰি কৰা অনুসৰি প্ৰথমবাৰৰ **আই গোসানী বঁটা** শংকৰী কলা কৃষ্টিৰ প্ৰচাৰ প্ৰসাৰৰ লগত জড়িত কণিকা পাঠকলৈ আগবঢ়োৱা হ'ব। উল্লেখযোগ্য যে এই দুয়োটা বঁটা অহা পহিলা জুনত সুন্দৰীদিয়া সত্ৰত অনুষ্ঠিত হ'বলগীয়া মহাপুৰুষ মাধৱদেৱৰ আৱিৰ্ভাৱ মহোৎসৱৰ কাৰ্যসূচীত প্ৰদান কৰা হ'ব।

০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌৰ অটল বিহাৰী বাজপেয়ী একানা ক্ৰিকেট ষ্টেডিয়ামত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱানিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত খেলত ছান ৰাইজাৰ্ছ হায়দৰাবাদে পঞ্জাব কিংছক ৩৩ ৰানত পৰাজিত কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ